হে হাকীম! এই ধন-সম্পদ হৈছে সেউজীয়া সুস্বাদু বস্তু।

হাকিম বিন হিঝাম -ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত কিবা বিচাৰিলোঁ, ফলত তেখেতে মোক সেইটো প্ৰদান কৰিলে। ইয়াৰ পিছত মই আকৌ বিচাৰিলোঁ, তেখেতে মোক পুনৰ প্ৰদান কৰিলে। ইয়াৰ পিছত তেখেতে মোক ক'লেঃ "হে হাকীম! এই ধন-সম্পদ হৈছে সেউজীয়া সুস্বাদু বস্তু। যিয়ে (লোভ নোহোৱাকৈ) প্ৰশস্ত অন্তৰে সেয়া গ্ৰহণ কৰে, তাৰ বাবে সেইটো হৈছে বৰকতময়। আনহাতে যিয়ে নিজকে প্ৰতাপশালী কৰিবলৈ তথা লোভ সহকাৰে গ্ৰহণ কৰে, তাৰ বাবে সেইটোত কোনো বৰকত নাই। তাৰ উদাহৰণ হৈছে সেই ব্যক্তিৰ দৰে, যিয়ে ভক্ষণ কৰে কিন্তু তাৰ ভোক নকমে। জানি থোৱা, তলৰ হাততকৈ ওপৰৰ হাত হৈছে উত্তম।" হাকীমে কৈছেঃ মই ক'লোঁ◌ঃ হে আল্লাহৰ ৰাছুল! সেই সত্ত্বাৰ শপত, যিয়ে আপোনাক সত্য সহকাৰে প্ৰেৰণ কৰিছে, আপোনাৰ পিছত মৃত্যু পৰ্যন্ত মই কাৰো ওচৰত কিবা বিচাৰি কাকো সামান্যতমো বিব্ৰত নকৰোঁ। ইয়াৰ পিছত আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৱে (নিজৰ খিলাফত কালত) কেতিয়াবা হাকীমক অনুদান নিবলৈ মাতিছিল, কিন্তু তেওঁ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। ইয়াৰ পিছত ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱেও তেওঁক অনুদান গ্ৰহণ কৰিবলৈ মাতিছিল, কিন্তু তেওঁ সেয়া গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। এই দেখি ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে ভাষণ প্ৰদান কৰি কৈছিলঃ হে মুছলিম সমাজ! জানি থওক, মই এই ফাই সম্পদৰ পৰা হাকীমক তেওঁৰ প্ৰাপ্য অংশ
নিবলৈ মাতিছিলোঁ, তেওঁ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। সঁচাই হাকীমে মৃত্যু পৰ্যন্ত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছত আন কাৰো ওচৰত কিবা বিচাৰি বিব্ৰত কৰা
নাছিল।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাকীম ইবনে হিঝাম ৰাদ্বিয়াল্লাহু আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত কিছুমান পাৰ্থিৱ বস্তু খুজিলে। তেখেতে তেওঁক সেয়া প্ৰদান কৰিলে। ইয়াৰ পিছত তেওঁ আৰু কিবা কিবি বিচাৰিলে, তেখেতে তেওঁক সেইবোৰো প্ৰদান কৰিলে। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁক ক'লেঃ হে হাকীম! এই ধন-সম্পদ হৈছে লোভনীয় তথা আকৰ্ষণীয় বস্তু। যিয়ে এইবোৰ নোখোজাকৈ তথা লোভ লালসা নথকাকৈ লাভ কৰে, তেওঁৰ বাবে এইটো হৈছে বৰকতময়। আনহাতে যিয়ে লোভ তথা অতি আগ্ৰহেৰে এইটো গ্ৰহণ কৰে, তাৰ বাবে সেইটোত কোনো বৰকত নাই। এনেকুৱা ব্যক্তিৰ উদাহৰণ হৈছে যিয়ে খায় আৰু খায়, তথাপিও পেট নভৰে। জানি থোৱা, আল্লাহৰ ওচৰত তলৰ ভিখাৰী হাততকৈ ওপৰৰ দানকাৰী হাত হৈছে অধিক উত্তম। ইয়াৰ পিছত হাকীমে কৈছেঃ মই ক'লোঁ◌ঃ হে আল্লাহৰ ৰাছুল! সেই সত্ত্বাৰ শপত খাই কৈছোঁ, যিয়ে আপোনাক সত্য সহকাৰে প্ৰেৰণ কৰিছে, মই আপোনাৰ পিছত মৃত্যু পৰ্যন্ত বেলেগ কাৰো ওচৰতেই একো নিবিচাৰোঁ। ইয়াৰ পিছত ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ প্ৰথম খলীফা আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৱে তেওঁক কেতিয়াবা উপহাৰ গ্ৰহণ কৰিবলৈ মাতিছিল, কিন্তু তেওঁ সেয়া গ্ৰহণ কৰা নাছিল। ইয়াৰ পিছত আমীৰুল মুমিনীন ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱেও তেওঁক উপহাৰ গ্ৰহণ কৰিবলৈ মাতিছিল কিন্তু তেওঁ সেয়া ল'বলৈ অস্বীকাৰ কৰিছিল। সেয়ে ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ হে মুছলিমসকল! মই তেওঁক তেওঁৰ অধিকাৰ প্ৰদান কৰিছোঁ, যিটো আল্লাহে ফাই সম্পদৰ পৰা তেওঁৰ বাবে নিৰ্ধাৰণ কৰিছে, যিটো সম্পদ কোনো যুদ্ধ নোহোৱাকৈয়ে মুছলিমসকলে কাফিৰসকলৰ পৰা অৰ্জন কৰিছে। কিন্তু তেওঁ এইটোও ল'বলৈ অস্বীকাৰ কৰিছে। সঁচাকৈয়ে হাকীমে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পিছত মৃত্যু পৰ্যন্ত কাৰো পৰা বিচাৰি একো লোৱা নাছিল।

